# দীনবন্ধু, কৰ্মসূৰ্য, ডিবৰু হিতৈষী অৰিধাৰে ৰিভূষিত ড° শশীকান্ত শইকীয়াৰ সংক্ষিপ্ত জীৱনপঞ্জী

ডি এইচ এছ কানৈ মহবিদ্যালয়ত ২০১৫ চনত অধ্যক্ষ ৰূপে যোগদান কৰি পূৰ্বৰ পৰম্পৰা ভংগ কৰি মহাবিদ্যালয়খনক ২০২৩ চনৰ ২ আৰু ৩ ফেব্ৰুৱাৰীত নাকৰ মূল্যায়ণ কৰি 'এ' গ্ৰেডলৈ উন্নীত কৰে। সম্প্ৰতি মহাবিদালয়খনে 'গ্ৰীণ অডিটেড কলেজ', 'স্বচ্ছতাৰ কলেজ', 'শ্ৰেষ্ঠ শৃংখলাবদ্ধ কলেজ', 'অসমৰ পৰিস্কাৰ মহাবিদ্যালয়' নামেৰে  সুনাম আৰ্জিছে। ডি এইচ এছ কানৈ মহাবিদ্যালয়ে কেন্দ্ৰীয় চৰকাৰৰ খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰণালয়ৰ তৰফৰ পৰা দেশৰ ভিতৰত স্বচ্ছতাৰ দ্বিতীয় 'ৰাষ্ট্ৰীয় স্বচ্ছ ভাৰত পুৰস্কাৰ-২০১৭', ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱ ২০২০, ২০২২ আৰু ২০২৩ বৰ্ষত তিনিবাৰকৈ 'শ্ৰেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয়'ৰ সন্মান, ডিব্ৰুগড় জিলা প্ৰশাসনৰ তৰফৰ পৰা ২০১৮ চনত 'ডিব্ৰুগড় স্বচ্ছতা পুৰস্কাৰ', ডিব্ৰুগড় নাগৰিক মঞ্চৰ তৰফৰ পৰা ২০২২ চনত 'অসমৰ পৰিস্কাৰ মহাবিদ্যালয়'ৰ সন্মান, কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ নেহৰু যুৱ কেন্দ্ৰ ডিব্ৰুগড় শাখাৰ তৰফৰ পৰা  মহাবিদ্যালয়খনক স্বচ্ছতাৰ সন্মান, মহাবিদ্যালয়খনে অধ্যক্ষগৰাকীৰ নেতৃত্বত গুণগত উচ্চমানৰ শিক্ষা প্ৰদান কৰাৰ বাবে ISO-9001 : 2015 প্ৰমাণ পত্ৰ লাভ কৰিছে। ডিব্ৰুগড় জিলা প্ৰশাসনে ৫১ বছৰৰ পিছত ডিব্ৰুগড় জিলা দিৱস ২০২২ চনৰ ২ অক্টোবৰত পালন কৰে। মহাবিদ্যালয়খনৰ শৈক্ষিক, প্ৰশাসনিক, প্ৰযুক্তিৰ উত্তৰণ আৰু সেউজ পৰিবেশ সুৰক্ষাৰ বাবে প্ৰথমবাৰৰ বাবে উদ্‌যাপন কৰা ডিব্ৰুগড় জিলা দিৱসত অধ্যক্ষ ড০ শশীকান্ত শইকীয়াক কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, বিশিষ্ট সাহিত্যিক ড০ নগেন শইকীয়া, বিধায়ক প্ৰশান্ত ফুকনকে ধৰি জিলাখনৰ গন্যমান্য ব্যক্তি আৰু বিষয়াবৰ্গৰ উপস্থিতিত উপায়ুক্ত বিশ্বজিৎ পেগুৱে সম্বৰ্ধনা জনায়। শ্বহীদ কুশল কোঁৱৰ স্মৃতি ৰক্ষা সমিতিয়ে ১১৯ সংখ্যক শ্বহীদ কুশল কোঁৱৰ জন্ম-জয়ন্তীৰ উদযাপনৰ স'তে সংগতি ৰাখি ডিব্ৰুগড়ৰ সমাজ জীৱন, সাহিত্য ক্ষেত্ৰকে ধৰি অন্যান্য ক্ষেত্ৰলৈ আগবঢ়োৱা দীৰ্ঘদিনীয়া সেৱা আৰু অৱদানৰ বাবে অধ্যক্ষ ড০ শশীকান্ত শইকীয়াক ২১ মাৰ্চ, ২০২৩-ত 'ডিবৰু হিতৈষী' সন্মান প্ৰদান কৰে। মহাবিদ্যালয়ৰ বিজুলীৰ খৰচ ৰাহি কৰিবৰ বাবে 'গ্ৰীণ এনাৰ্জী'ৰ অংশ হিচাপে ৪০ কিল'ৱাটৰ সৌৰশক্তি চালিত বিজুলীৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰোপৰি অতিৰিক্তকৈ মহাবিদ্যালয়ৰ সন্মুখত ৬০০ ৱাটৰ সৌৰশক্তি চালিত বিজুলী বাটিৰ ব্যৱস্থা কৰা হৈছে। পৰ্যায় ক্ৰমে মহাবিদ্যালয়খনৰ এশ শতাংশ 'গ্ৰীণ এনাৰ্জী'ৰ ব্যৱস্থা কৰাৰ দিশে কাম কৰি থকা ড° শশীকান্ত শইকীয়া সম্প্ৰতি দেশ-বিদেশতো এটি পৰিচিত নাম।

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদৰ দ্বাৰা 'কৰ্মসূৰ্য-২০২০' উপাধিৰে বিভূষিত, 'স্নেহবন্ধন'ৰ সাধাৰণ সম্পাদক, 'হাচান ছৰিফ আহমদ সমন্বয় বঁটা'ৰে বিভূষিত, স্বচ্ছভাৰত মিছন (নমস্তে) ৰাজ্যৰ ব্ৰেণ্ড এম্বেচেদৰ, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি, স্তম্ভ লেখক, প্ৰণৱানন্দ মানৱসেৱা ৰত্ন বঁটা, সেউজ ৰত্ন বঁটা, ৰাষ্ট্ৰীয় পৰ্যায়ত 'হিডা'ৰ শ্ৰেষ্ঠ অধ্যক্ষৰ পাৰদৰ্শিতা বঁটাৰে সন্মানীত, মৰাণহাট প্ৰেছ ক্লাবৰ দ্বাৰা শ্ৰেষ্ঠ গ্ৰাম্য সাংবাদিকতাৰ বঁটাৰে সন্মানীত, দিছপুৰ মহাবিদ্যালয় আৰু ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক, পৰ্যটনৰ গৱেষক, ডিব্ৰুগড় প্ৰেছ ক্লাৱৰ প্ৰাক্তন কোষাধ্যক্ষ, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাৱৰ প্ৰতিষ্ঠাপক উপ-সভাপতি, ডিব্ৰুগড় জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সম্পাদক, ভাৰতীয় ইতিহাস সন্মিলন, ডিব্ৰুগড় জিলাৰ উপ-সভাপতি, কলেজ শিক্ষক সংস্থাৰ ডিব্ৰুগড় মণ্ডলৰ প্ৰাক্তন সম্পাদক, ডিব্ৰু মহাবিদ্যালয়ৰ শিক্ষক গোটৰ প্ৰাক্তন সম্পাদক (তিনিবাৰকৈ সম্পাদক), ডিব্ৰু মহাবিদ্যালয়ৰ এন চি চিৰ কমিশ্যন অফিচাৰ, ডিব্ৰুগড় ছেচ ক্লাৱৰ প্ৰতিষ্ঠাপক সভাপতি, অসমৰ নামঘৰ সমূহৰ একত্ৰীকৰণ সমিতিৰ প্ৰাক্তন সভাপতি, অসমৰ সাংস্কৃতিক অনুষ্ঠান 'বৰভেটি'ৰ উপ-সভাপতি, ২০২২ চনত প্ৰতিষ্ঠা হোৱা ডিব্ৰুগড় গ্ৰন্থাগাৰিক সংস্থাৰ প্ৰতিষ্ঠাপক সভাপতি, 'মানুহে মানুহৰ বাবে' নামৰ স্বেচ্ছাসেৱী সংগঠনৰ সক্ৰিয় সদস্য, অসমৰ এগৰাকী বিশিষ্ট সমাজসেৱক ড° শশীকান্ত শইকীয়াৰ জন্ম ১৯৬৭ চনৰ ৩১ জুলাইত ডিব্ৰুগড় জিলাৰ মোহনবাৰীৰ সমীপৰ হাৰাবাৰী গাঁৱত। জন্মৰ প্ৰায় এবছৰৰ পিছতে তেওঁৰ পৰিয়াল তিনিচুকীয়া জিলাৰ ফিল'বাৰীৰ বিজুলীবন পদুমপথাৰ গাঁৱলৈ বসবাসৰ বাবে গুচি যায়। পিতৃ হৰিপদ শইকীয়া আৰু মাতৃ সুনীতি শইকীয়া। দুগৰাকী জ্যেষ্ঠ ভগ্নীকে ধৰি পাঁচটা পুত্ৰ সন্তানৰ চতুৰ্থ গৰাকী পুত্ৰ তেওঁ। ফিল'বাৰীৰ বিজুলীবন পদুমপথাৰ প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা, ফিল'বাৰী মধ্য ইংৰাজী বিদ্যালয় আৰু ফিল'বাৰী হাইস্কুলৰ পৰা হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰে। ডুমডুমা মহাবিদ্যালয়ত (১৯৮৪ - ১৯৮৯ লৈ) উচ্চতৰ মাধ্যমিক বাণিজ্য আৰু স্নাতক (বি.কম.) শিক্ষা গ্ৰহণ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ (১৯৯১ - ১৯৯৩ লৈ, এম.কম.) আৰু ২০০৭ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা পৰ্যটন বিভাগৰ পি এই ডি লাভ কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা পৰ্যটন বিষয়ত পি এইচ ডি লাভ কৰা তেওঁৱেই প্ৰথমজন গৱেষক। অধ্যয়নৰত অৱস্থাতে ১৯৮৮ চনত ফিল'বাৰী উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত কিছুদিন শিক্ষকতা কৰাৰ লগতে নৈশ ভাগত ডুমডুমাস্থিত ৰূপাইত আসাম টিম্বাৰ প্লাইউড উদ্যোগত কিছুদিন কাম কৰি দিনৰ ভাগত মহাবিদ্যালয়ত অধ্যয়ন কৰে। ১৯৯৪ চনৰ ১৬ আগষ্টত গুৱাহাটীৰ দিছপুৰ মহাবিদ্যালয়ৰ বাণিজ্য বিভাগত অস্থায়ী ভিত্তিত মাহে তিনিশ টকা পাৰিশ্ৰমিকত অধ্যাপনাৰ চাকৰিত যোগদান কৰে। ১৯৯৪ ৰ ৩১ অক্টোবৰত দিছপুৰ মহাবিদ্যালয়ৰ অধ্যাপনা ত্যাগ কৰি ডিব্ৰুগড়ৰ ডিব্ৰু মহাবিদ্যালয়ত অস্থায়ীপদত মাহে এহেজাৰ টকা পাৰিশ্ৰমিকত অধ্যাপক হিচাপে যোগদান কৰে। পৰৱৰ্তী সময়ত ১৯৯৬ চনত ডিব্ৰু মহাবিদ্যালয়তে স্থায়ী অধ্যাপকৰ পদত যোগদান কৰে। ১৯৯৬ চনৰ ৪ চেপ্তেম্বৰত ডিব্ৰু মহাবিদ্যালয়ত এন চি চি বিষয়া হিচাপে যোগদান কৰে। ২০০৬ চনৰ ২০ নৱেম্বৰৰ পৰা ২০০৭ চনৰ ১৭ ফেব্ৰুৱাৰীলৈ মহাৰাষ্ট্ৰৰ নাগপুৰৰ কামটিত এন চি চি বিষয়া প্ৰশিক্ষণ একাডেমীয়ে আয়োজন কৰা তিনিমহীয়া পি আৰ চি এন ক'ৰ্ছত অংশগ্ৰহণ কৰে। তেওঁ ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত অনুষ্ঠিত এন চি চি কেম্পতো অংশ গ্ৰহণ কৰে।

ড° শশীকান্ত শইকীয়াই ২০১২ চনৰ ৩ মাৰ্চত মাজুলীৰ ঐতিহাসিক মাজুলী মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে যোগদান কৰে। তিনিবছৰ তিনিমাহ অধ্যক্ষৰূপে কাৰ্যনিৰ্বাহ কৰা ড° শইকীয়াই মহাবিদ্যালয়খনক শৈক্ষিক, আন্তঃগাঠনি আৰু প্ৰশাসনিক সংস্কাৰ কৰি এখন সৰ্বাঙ্গসুন্দৰ মহাবিদ্যালয়

হিচাপে গঢ়ি তোলে। প্ৰকৃততে ড° শইকীয়াই হ'ল মাজুলী মহাবিদ্যালয়ৰ আধুনিক ৰূপ দিওঁতা, ৰূপকাৰসকলৰ ভিতৰত অন্যতম। ২০১৫ চনৰ ১৮ জুনলৈ মাজুলী মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে দায়িত্বভাৰ লৈ মহাবিদ্যালয়খনক ন ৰূপ দি আধুনিক ৰূপত গঢ়ি তোলে। তেখেতৰ উদ্যোগতেই মাজুলী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ অতুল চন্দ্ৰ গোস্বামীক 'শিক্ষাৰত্ন' উপাধি প্ৰদান কৰা হয়। মাজুলী মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি 'কেশৰৰাম বৰা'ৰ নামত প্ৰেক্ষাগৃহটি নামকৰণ কৰা হয়। পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সম্পাদক 'কৃষ্ণকান্ত গোস্বামী'ৰ নামত নতুনকৈ নিৰ্মাণ কৰা প্ৰশাসনিক ভৱনটো নামাকৰণ কৰা হয়। শিক্ষাৰত্ন 'অতুল চন্দ্ৰ গোস্বামী'ৰ নামত গ্ৰন্থাগাৰটি নামকৰণ কৰা হয়। ড° শশীকান্ত শইকীয়াৰ উদ্যোগতেই মাজুলী মহাবিদ্যালয়ে শৈক্ষিক তথা আন্তঃগাঁথনিৰ দিশত এক আধুনিক ৰূপ লাভ কৰিলে।

ড° শশীকান্ত শইকীয়াই 'গ্ৰীণ ক্লাব' নামৰ এক সংগঠন গঠন কৰি প্ৰত্যেক দিনাই পুৱা পাঁচ বজাতে ৰ'দ-বৰষুণ, ঠাণ্ডা-গৰমক নেওচি মহাবিদ্যালয়ৰ চৌহদ দৈনিক পৰিষ্কাৰ কৰি এক ব্যতিক্ৰমী নিদৰ্শন দাঙি ধৰি আহিছে। নগালেণ্ডৰ সেই সময়ৰ ৰাজ্যপাল তথা স্বচ্ছ ভাৰত মিছনৰ ৰাষ্ট্ৰীয় ব্ৰেণ্ড এম্বেচেদৰ পি বি আচাৰ্যৰ পৰামৰ্শৰ ভিত্তিত চিকিমকে ধৰি উত্তৰ-পূব ভাৰতৰ স্বচ্ছ ভাৰত মিছনৰ ব্ৰেণ্ড এম্বেচেদৰ চটাই ক্ৰীয়ে ড° শশীকান্ত শইকীয়াক স্বচ্ছ ভাৰত মিছন অসম(নমস্তে)ৰ ব্ৰেণ্ড এম্বেচেদৰ হিচাপে নিযুক্তি দিয়ে।

অধ্যাপনাৰ পৰা আৰম্ভ কৰি অধ্যক্ষৰ দৰে এক গুৰুদায়িত্ব পালনৰ ব্যস্ততাৰ মাজতে তেওঁ বিভিন্ন কাকত- আলোচনীত লেখা প্ৰকাশ কৰি আহিছে। সেইসমূহৰ ভিতৰত দৈনিক ভূমিপুত্ৰ কাকতত 'অৰঙে-দৰঙে', সাপ্তাহিক অগ্ৰদূতত 'নেপথ্য স্বৰ', দৈনিক প্ৰতিক্ষণ কাকতত 'নেপথ্য ভাষণ, সাপ্তাহিক অসমীয়াত 'প্ৰান্তে প্ৰান্তে', দৈনিক বৰ্তমানত 'যাত্ৰাৰ বাটত', দৈনিক অগ্ৰদূতত 'নেপথ্য চিন্তা', অৰুণোদয় সংবাদত 'টোকা বহী মাজুলীয়ে ৰিঙিয়াই', অসমৰ জনমতত 'আজিৰ চিন্তা', অৰুণোদয় সংবাদত 'তীক্ষ্ণ দৃষ্টি', ইউ এ টিভিত 'জনমত'ৰ লগতে প্ৰতি দেওবাৰে অগ্ৰদূতত 'স্বৰ-ব্যঞ্জন' আৰু 'অসম আদিত্য' কাকতত 'জীৱন বাঁহীৰ সুৰ' স্তম্ভ নিয়মীয়াকৈ লিখি আহিছে। ইউটিউবটো প্ৰতি সপ্তাহত 'জীৱনৰ কথা' শীৰ্ষক জীৱনবোধৰ ওপৰত এলানি ব্যতিক্ৰমী বিষয় আলোকপাত কৰি আহিছে। ইয়াৰোপৰি ড° শইকায়াই ভালেসংখ্যক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰটো অংশগ্ৰহণ কৰিছে।

জীৱনজোৰা সাধনা, সমাজৰ প্ৰতি দায়িত্ব-কৰ্তব্য, কৰ্ম বৰঙণি ভিত্তিত ড° শইকীয়াক ১০০ টাৰো অধিক সংগঠনে বঁটা, সম্বৰ্ধনা, প্ৰশংসা জ্ঞাপন কৰিছে। ড° শইকীয়া অসম সাহিত্য সভা, ৰেড ক্ৰছ ছচাইটি, অৰণ্যক, মিলনজ্যোতি সংঘ, অসম বিজ্ঞান সমিতি, নৱৰূপা সংঘ, অসম লোকসংস্কৃতি সংস্থাৰ আজীৱন সদস্য। ড° শইকীয়া বৰ্তমান ভালেকেইখন মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য হিচাপে নিয়োজিত হৈ থকাৰ উপৰিও অসমৰ বিভন্ন মহাবিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিভিন্ন সমিতিত সদস্য হিচাপে নিয়োজিত আছে।

ড° শশীকান্ত শইকীয়াই লিডাৰছিপ ডেভলপমেন্ট প্ৰগ্ৰেমৰ অংশ হিচাপে ইউৰোপ মহাদেশৰ বিভিন্ন দেশ ক্ৰমে (ফ্ৰান্স, নেদাৰলেণ্ড, বেলজিয়াম, ছুইজাৰলেণ্ড, ফিন্‌লেণ্ড) আৰু নেপাল, ভূটান, ম্যানমাৰ, ছিংগাপুৰ, মালয়েছিয়া, ভিয়েটনাম, জাপান, থাইলেণ্ডকে ধৰি বিভিন্ন দেশ ভ্ৰমণ কৰিছে। ড° শইকীয়াই ২০১৮ চনত চীনত অনুষ্ঠিত 'ছেংডু ডায়েলগ' অনুষ্ঠানটো অংশ গ্ৰহণ কৰিছিল। 'দ্যা কুৰেষ্ট' নামৰ আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন পৰ্যটন সংস্থাইয়ো ড° শইকীয়াক সন্মানীত কৰিছিল। ভিয়েটনাম ভ্ৰমণৰ সময়ত পুনৰ তেওঁক দ্যা কুৰেষ্টে আটাইতকৈ উৎসাহী ব্যক্তি হিচাপে সন্মানীত কৰিছিল। ড° শইকীয়াৰ কৰ্মৰাজিৰ স্বীকৃতিস্বৰূপে ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদে আগবঢ়োৱা 'কৰ্মসূৰ্য-২০২০' উপাধি ২০২০ চনৰ ২০ আগষ্টত প্ৰদান কৰে অসমৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। উপাধি প্ৰদান অনুষ্ঠানটিত ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি পলাশ কোঁৱৰ. সম্পাদক অনিল প্ৰসাদ সিংহকে ধৰি পৰিষদৰ অন্যান্য সদস্যসকলো উপস্থিত থাকে। নিৰলসভাবে সামাজিক কাম-কাজত জড়িত হৈ থকা হেতু একেদৰে কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীয়েও ৫ মাৰ্চ, ২০২০ত ড° শইকীয়াক সন্মানীত কৰে।

তেওঁ ক্লান্তিহীনভাবে নিৰবে সমাজৰ হ'কে ইতিবাচক চিন্তা-চৰ্চাৰে সেৱা কৰি থকাৰ স্বীকৃতি হিচাপে ঐতিহ্যপূৰ্ণ কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাই (২০১৯-২০) মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক, প্ৰগতিশীল সাংস্কৃতিক কৰ্মী, সমন্বয়ৰ প্ৰতীক, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, জ্যোতি প্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা, হেমাংগ বিশ্বাসৰ দৰে বৰেণ্য শিল্পীৰ অন্যতম সহযোগী, নটসূৰ্য ফণী শৰ্মা বঁটা প্ৰাপক শিল্পী প্ৰয়াত হাচান ছৰিফ আহমদৰ স্মৃতিত 'হাচান ছৰিফ আহমদ সমন্বয় বঁটা' ৯ ছেপ্তেম্বৰ, ২০২০ ত ডিব্ৰুগড় জিলা উপায়ুক্ত পল্লৱ গোপাল ঝাই অধ্যক্ষ ড° শইকীয়াক প্ৰদান কৰে। উপায়ুক্তগৰাকীয়ে বঁটা প্ৰদান কৰি কৈছিল— ভাৰতবৰ্ষৰ ভিতৰত ছাত্ৰ-ছাত্ৰীৰ যোগেদি অধ্যক্ষক এনে সন্মান প্ৰদান কৰাতো এক প্ৰকাৰ বিৰল বুলিব পাৰি। সেয়ে ছাত্ৰ একতা সভাই নিমন্ত্ৰণ কৰাৰ লগে লগে তেওঁ বঁটা প্ৰদান কৰাৰ সন্মতি প্ৰদান কৰা বুলি কয়। বঁটা প্ৰদান অনুষ্ঠানটিত ছাত্ৰ একতা সভাৰ সভাপতি জুবিন বুঢ়াগোহাঁই, সাধাৰণ সম্পাদক অংকুৰ মৰাণকে ধৰি ছাত্ৰ একতা সভাৰ অন্যান্য সদস্যসকলৰ লগতে প্ৰয়াত হাছান ছৰিফ আহমদৰ পুত্ৰ হাছান আৰমান আহমদ আৰু পৰিয়ালৰ অন্যান্য সদস্যসকলো উপস্থিত থাকে। ড০ শইকীয়াৰ অন্যান্য সামাজিক কাম-কাজৰ উপৰিও বিশেষভাবে লক্ষণীয় কথাটো হ'ল— দৰিদ্ৰ, দীন, নিঃস্ব, নিসম্বল তথা অন্যান্য সমস্যাত ভাৰাক্ৰান্ত ব্যক্তি, দল, সংগঠন, অনুষ্ঠান, প্ৰতিষ্ঠানক মুক্তহস্তে দান-বৰঙণী যোগাই সমাজৰ উন্নতিত অৰিহণা যোগাই আহিছে। এই ক্ষেত্ৰত নাম উল্লেখ নকৰিলে হয়তো ভুল হ'ব যে তেওঁ বৰ্তমান অধ্যক্ষতা কৰা কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগলৈ দুই লাখ, পূৰ্বৰ অধ্যক্ষতা কৰা মাজুলী মহাবিদ্যালয়ৰ উন্নয়নৰ বাবে এক লাখ আৰু মাজুলীৰ ঐতিহ্যপূৰ্ণ সত্ৰৰ নেতৃত্বত গঢ়ি উঠা আউনীআটী বিশ্ববিদ্যালয়ৰ বাবে পঞ্চাশ হাজাৰ টকাকে ধৰি নাম উল্লেখ কৰি থাওকতে শেষ কৰিব নোৱাৰা অগনন অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তিলৈ আৰ্থিক সাহাৰ্য আগবঢ়াই সামাজিক দায়বদ্ধতা পালন কৰি আহিছে। তেখেতৰ এনে সমাজিক দায়বদ্ধতাৰ স্বীকৃতি স্বৰূপে জনপ্ৰিয় আলোচনী 'পলস'ৰ তৰফৰ পৰা 'দীনবন্ধু' উপাধি প্ৰদান কৰা হৈছে। তেখেতৰ উত্তৰোত্তৰ কামনা কৰিলো।

*জনপ্ৰিয় আলোচনী 'পলস'ৰ সম্পাদক, কবি পাপু বৰাৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত*